
2017

চিৰ চেনেহী মোৰ ভাষা জননী

# আকাশ

অসম সাহিত্য সভাৰ শতবৰ্ষ উপলক্ষ্যে

বকো সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত 'আকাশ'ৰ আদৰণি সমিতিৰ স্মৃতিগ্ৰন্থ




চিৰ চেনেহী মোৰ ভাষা জননী

# আকাশ

অসম সাহিত্য সভাৰ শতবৰ্ষ উপলক্ষ্যে

বকো সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত 'আকাশ'ৰ আদৰণি সমিতিৰ স্মৃতিগ্ৰন্থ



স্থান - কলেজ অৱ এডুকেশ্বন, বকো

তাৰিখ ঃ ২৩ জুলাই, ২০১৭

ৰবিবাৰ

সম্পাদক

বিজয়া ডেকা

# সম্পাদকৰ কলমত



বিজয়া ডেকা
সম্পাদক
অসম সাহিত্য সভাৰ শতবৰ্ষ উপলক্ষ্যে
বকো সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত নাৰী সন্মিলন 'আকাশ'ৰ আদৰণি সমিতিৰ স্মৃতিগ্ৰন্থ

পূৰ্বৰ বগে ৰাজ্যৰ অন্তৰ্গত বৰ্তমানৰ অসমৰ দক্ষিণ কামৰূপত অৱস্থিত বকো অঞ্চল বিভিন্ন জাতি-জনজাতিৰ মিলনভূমি। এই অঞ্চলত অতীজৰে পৰা ৰাভা, বড়ো, গাৰো, নেপালী, কোঁচ ৰাজবংশী, হাজং, কলিতা আদি নানা জাতিয়ে সম্প্ৰীতিৰে বাস কৰি আহিছে। বিভিন্ন জাতিৰ লোক বাস কৰিলেও স্বসত্বাৰে প্ৰতিটো জাতিয়ে নিজৰ চিনাকি অক্ষুন্ন ৰাখিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। বছৰৰ বাৰ মাহে পালন হোৱা উৎসৱ, দিৱস সমূহত এই কথাৰ আভাস পোৱা যায়। প্ৰতি বছৰে ব'হাগ মাহৰ ৬ তাৰিখ অৰ্থাৎ ৭ বিহুৰ দিনা পালন কৰা 'সুঁৱৰী' উৎসৱত ইয়াৰ প্ৰতিফলন ঘটে। ইয়াত প্ৰদৰ্শিত হয় সকলো জাতি-জনজাতিৰ সংস্কৃতি। বকোখনি হৈ পৰে বিভিন্ন জাতিৰ ক্ষুদ্ৰ সংস্কৰণ। বকো যেন ভিন্ন জন-গোষ্ঠীৰ এধাৰি মুকুতাৰ মালা, য'ত একতা বিৰাজ মান। বকো অপৰূপ শোভাৰ, প্ৰাকৃতিক সৌন্দৰ্যৰ ভঁৰাল। যেনিয়ে চোৱা যায় তেনিয়ে নয়ন জুৰোৱা দৃশ্য। বকোৰ দুয়োকাষে সিঁচৰতি হৈ থকা পাহাৰবোৰ, শাৰী শাৰী শাল, চেগুণ, ৰাধাচূড়া, কৃষ্ণচূড়া, সোণাৰু, এজাৰ ফুলৰ ৰং বিৰঙৰ দৃশ্যই সঁচাকৈয়ে অনুভঁৱ কৰাই -

অ' মোৰ আপোনাৰ দেশ
অ' মোৰ চিকুণী দেশ
এনেখন শুৱলা, এনেখন সুফলা
এনেখন মৰমৰ দেশ......

- লক্ষ্মীনাথ বেজবৰুৱা

বকো অঞ্চলৰ জনজাতীয় মহিলা সকল হাতে কামে কাজী। যেনে শিপিনী, তেনে নাচনী। নানা ৰং বিৰঙৰ চানেকীৰে তাঁত শালত বোৱা, পাজাৰ, আৰনায়, কাম্বাং-কেমব্লেট, গামোচা আদি সকলোৰে বৰ আদৰৰ। তাঁত শালত তেওঁলোকে সপোনৰ ফুল তোলে। তেওঁলোকৰ জাক পাতি মাছ মৰা, ধান ৰোৱা, ধান কটা আদি দৃশ্যই মন পুলকিত কৰে।

+ +

সময়ৰ অগ্ৰগতিয়ে সকলো সমাজতে তথা সকলো দিশতে পৰিৱৰ্তনৰ ঢৌ তুলিছে। বিজ্ঞানৰ ন ন আৱিষ্কাৰ আৰু প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰে মানুহৰ

এইবেলি (২০১৭-২০১৮) অসম সাহিত্য সভাই শতবৰ্ষৰ লগত সংগতি ৰাখি বিভিন্ন ঠাইত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। সেই অনুক্ৰমে বকো সাহিত্য সভাৰ ওপৰতো 'আকাশ'ৰ কাৰ্যসূচী ৰূপায়ণৰ দায়িত্ব পৰিছে। 'আকাশ' কেন্দ্ৰীয় কাৰ্যসূচী বাস্তৱত ৰূপায়ণৰ সময়তে বকোৰ নাৰী সমাজে এক ইতিহাস ৰচিলে।

মন-মগজুত নানা ভাৱৰ জোকাৰণি তুলিছে। আন হাতে বস্তু কেন্দ্ৰিক চিন্তাধাৰা আৰু বিজ্ঞানৰ অৱদানৰ কিছু অপব্যৱহাৰে সমাজ সংস্কৃতি চুই গৈছে। মানুহ যিমানে সভ্য হৈছে, শিক্ষিত হৈছে, উন্নতিৰ জখলাত বগাইছে ,সেই অনুপাতে যেন মানুহৰ মনবোৰ আলোকিত হোৱা নাই। কৰবাত যেন সুৰুঙা ৰৈ গৈছে। কাৰণ আগৰ তুলনাত মানৱীয় গুণসমূহৰ লাহে লাহে অৱক্ষয় হৈ হত্যা, ধৰ্ষণ, ডাইনী হত্যা, যৌতুকৰ দাবীত বোৱাৰী হত্যা, ঠগ, প্ৰৱঞ্চনা আদিয়ে গা কৰি উঠিছে। এই বিষ বাষ্পবোৰ ৰোধ কৰিবলৈ আগবাঢ়ি আহিব লাগিব নাৰী সমাজ। নাৰী হৈছে শক্তিৰ আধাৰ, শান্তিৰ আকৰ। নিজৰ ঘৰখনতেই নাৰীয়ে শান্তিৰ বীজ ৰোপণ কৰি সমাজলৈ বিয়পাব পাৰে। সন্তান তথা পৰিয়ালৰ সকলোৰে কু-স্বভাৱ, কু-দৃষ্টিভঙ্গী সলনি কৰি তেওঁ সমাজলৈ ইতিবাচক বৰঙণি যোগাব পাৰে। মমতাময়ী মাতৃয়ে সন্তানক বিভিন্ন দিশৰ লগতে বিশেষকৈ মাতৃ ভাষাৰ প্ৰতি প্ৰেম ভাৱ আৰু "জননী জন্মভূমি স্বৰ্গাদপি গৰিয়সী" এই ভাৱ অংকুৰিত কৰিব লাগিব। মুঠতে নাৰী হ'ব লাগিব সমাজৰ জাগ্ৰত প্ৰহৰী। কিন্তু চিন্তণীয় কথা এই যে বহু সময়ত নাৰীসকল নিজৰ দায়িত্ব-কৰ্তব্য তথা নিজৰ শক্তিৰ প্ৰতি সচেতন নহয়। পুৰুষ প্ৰধান সমাজত থকা বুলি বহু সময়ত তেওঁলোকে পুৰুষজনৰ মুখলৈ চাই থাকে। এই ধাৰণাৰ পৰা নাৰীসকল ওলাই আহি পুৰুষৰ সমানে আগুৱাই সমাজত নিজকে প্ৰতিষ্ঠা কৰিব লাগিব। ইতিমধ্যে বহু সংখ্যক নাৰী স্বপ্ৰতিভাৰে উজ্বলি উঠিছে। পিছ পৰি থকা সকলকো হাতত ধৰি, প্ৰকৃত বাটেৰে আগুৱাই অনাৰ গুৰুভাৰ নাৰী আৰু পুৰুষ উভয়ৰে। আমি পাহৰিব নালাগিব যে এখন দেশত বাস কৰা পুৰুষৰ লগতে নাৰীৰ দক্ষতা, বুদ্ধি, প্ৰেৰণা, ৰুচি অভিৰুচি, মনোভাব, মূল্যবোধ আদিৰ ওপৰতহে দেশএখনৰ সকলো দিশৰ উন্নয়ন সম্ভৱ হয়। উপযুক্ত শিক্ষাইহে মানুহৰ ধ্যান- ধাৰণা, চিন্তা, যুক্তি আদিৰ বিকাশ সাধন কৰিব পাৰে। বিকাশ কৰিব পাৰে দেশখনৰ বিভিন্ন শিল্প, কৃষি, ধৰ্ম-সংস্কৃতি, সভ্যতা, পৰম্পৰা আৰু ঐতিহ্যৰ। গতিকে সকলো নাৰীকে উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি তেওঁলোকৰ মাজত নিহিত হৈ থকা সুপ্ত প্ৰতিভাসমূহ বিকশাই আত্মনিৰ্ভৰশীল কৰিব লাগিব। লগতে অৰ্থ পূৰ্ণ জীৱন-যাপন কৰিবলৈ সাহিত্য সংস্কৃতিৰ প্ৰতিও মন ধাবিত কৰাব লাগিব। তাৰ বাবে চৰকাৰৰ লগতে সমাজৰ আন আন বে চৰকাৰী অনুষ্ঠান সমূহেও ইতিবাচক সহায়ৰ হাত আগবঢ়োৱা উচিত।

শেহতীয়াকৈ ভাষা-সাহিত্য-সাংস্কৃতিক তথা ঐতিহ্যপূৰ্ণ অনুষ্ঠান অসম সাহিত্য সভাই শিশুৰ বাবে 'কুঁহি', যুৱক-যুৱতীৰ বাবে যুৱ-সংসদ 'ৰামধেনু' তথা নাৰী সমাজৰ বাবে 'আকাশ' ৰ নৱ সংযোজন ঘটাই এক ইতিহাস ৰচিছে। 'আকাশ' হ'ল এখন মঞ্চ, য'ত নাৰীয়ে সুপ্ত প্ৰতিভা বিকাশৰ সুবিধা পায়। ইয়াত প্ৰতিগৰাকী নাৰীৰে নিজৰ প্ৰতিভাসমূহ, নিজৰ মনত খু-দুৱাই থকা ভাৱনাবোৰ মুক্ত মনেৰে প্ৰকাশ কৰিব পাৰে। ইয়াৰ বাবে অসম সাহিত্য সভালৈ অশেষ ধন্যবাদ।

এইবেলি (২০১৭-২০১৮) অসম সাহিত্য সভাই শতবৰ্ষৰ লগত সংগতি ৰাখি বিভিন্ন ঠাইত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। সেই অনুক্ৰমে বকো সাহিত্য সভাৰ ওপৰতো 'আকাশ'ৰ কাৰ্যসূচী ৰূপায়ণৰ দায়িত্ব পৰিছে। 'আকাশ' কেন্দ্ৰীয় কাৰ্যসূচী বাস্তৱত ৰূপায়ণৰ সময়তে বকোৰ নাৰী সমাজে এক ইতিহাস ৰচিলে। ১৯৫৯ চনত গঠিত হোৱা বকো সাহিত্য সভাৰ কাৰ্যনিৰ্বাহকত শ্ৰীযুতা প্ৰফুল্লবালা দাস, ডালিমী গোস্বামীৰ নামহে পোৱা যায়। পিছলৈকে দুই এগৰাকী অংশ গ্ৰহণ কৰিছে যদিও এইবাৰ একে সময়তে ১৯ গৰাকী পুৰুষৰ লগতে ৩৫ গৰাকী মহিলাই অসম সাহিত্য সভাৰ আজীৱন সদস্যৰ অন্তৰ্ভুক্ত হৈ বকো সাহিত্য সভাক 'স্বৰ্ণ শাখা' পৰ্যায়লৈ আগবঢ়াই দিলে। বকো সাহিত্য সভাত মহিলাৰ অংশ গ্ৰহণ দুখ লগা বুলি কৰা

সংশয় আঁতৰাৰ লগতে অসম সাহিত্য সভাত বকো সাহিত্য সভাৰ এক সুকীয়া পৰিচয় হ'ল।

সাহিত্য সভাৰ আকাশত তৰাবোৰে জিলমিলাব ধৰিছে। তাৰেই ৰেঙণি প্ৰতিফলিত হৈছে 'আকাশ'ত। শতবৰ্ষৰ 'আকাশ'ৰ বিশেষ নাৰী সন্মিলন ৰূপায়ণৰ সময়ত বকোৰ সাহিত্য প্ৰেমী ৰাইজে 'আকাশ' নামেৰেই এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ কৰিবলৈ মানস কৰিলে। সম্পাদকৰ দৰে গুৰুভাৰ অৰ্পণ কৰিলে আমাৰ ওপৰত। ব্যক্তিগত ভাৱে এই গধুৰ দায়িত্ব পালন কৰিবলৈ যোগ্যতা নেথাকিলেও ৰাইজৰ আকুণ্ঠ সহায়ে মোক এই দায়িত্ব পালন কৰিবলৈ প্ৰেৰণা যোগাইছে।

আজিৰ এই পৱিত্ৰ ক্ষণত যিসকল মহান পুৰোধা ব্যক্তিৰ ত্যাগ আৰু আপ্ৰাণ চেষ্টাৰ ফলত মহিমামণ্ডিত, ঐতিহ্যপূৰ্ণ অসম সাহিত্য সভাৰ জন্ম হ'ল আৰু যিসকল মহানুভৱ সাহিত্যিক, সাহিত্য অনুৰাগী তথা সাহিত্যকৰ্মীয়ে নানা ঘাট-প্ৰতিঘাটৰ মাজেৰে তুলি তালি গৌৰৱোজ্জ্বল শতবৰ্ষীয় কৰিলে তেওঁলোক আটাইলৈকে শতকোটি প্ৰণিপাত জনালোঁ। 'আকাশ' কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ আৰম্ভণিৰে পৰা বিভিন্ন ধৰণে সহযোগ আগবঢ়োৱা বাবে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড° পৰমানন্দ ৰাজবংশীদেৱলৈ সশ্ৰদ্ধ আন্তৰিক কৃতজ্ঞতা নিবেদন কৰিলোঁ। বিভিন্ন দিহা পৰামৰ্শৰ বাবে সন্মানীয় আদৰণি সমিতিৰ সভাপতি শ্ৰীযুত সুমিত ৰাভাদেৱ, সম্পাদক শ্ৰীযুত বিষ্ণু ৰাম দাস প্ৰমুখ্যে বিষয়ববীয়াসকলক আন্তৰিক কৃতজ্ঞতা জনালোঁ। সম্পাদনা সমিতিৰ লগতে যিসকল সদাশয় ব্যক্তিয়ে লিখনি আৰু শুভেচ্ছাবাণী দি 'আকাশ'ৰ সৌষ্ঠৱ আৰু আকাৰ বৃদ্ধি কৰিলে আৰু নানান দিহা পৰামৰ্শ দি মোক সহায় কৰিলে সকলোটিলৈকে মোৰ হিয়াভৰা কৃতজ্ঞতা জনালোঁ। আৰ্হি পাঠ চোৱাত বিশেষভাৱে সহায়ৰ হাত আগবঢ়োৱা ড° গণেশ্বৰ চহৰীয়া, লক্ষীকান্ত শৰ্মা, সুৰেন চন্দ্ৰ কলিতা, নৃপেন ভাগৱতী, সুৰেশ কুমাৰ ৰাভা, নীলমণি উপাধ্যায়, বৰ্ণালী ৰাভা, ভানুপ্ৰভা গয়াৰী আদিও শলাগৰ পাত্ৰ। অতি কম সময়ত অলিভিয়া অফ্‌ছেট পৰিয়ালে 'আকাশ'খন যিধৰণে ৰাইজৰ হাতত তুলি দিলে তাৰ বাবেও কৃতজ্ঞতা থাকিল।

'চিৰ চেনেহী মোৰ ভাষা জননী' গীতটি পৰিৱেশন কৰিবলৈ অহা অঞ্চলৰ নাৰী সমাজলৈ ধন্যবাদ আগবঢ়ালোঁ লগতে লাড়ু, পিঠা, গামোচা, আৰনায়, পাজাৰ আদি আগবঢ়ায় আমাক যি সহায় কৰিলে তাৰ বাবে আন্তৰিক কৃতজ্ঞতা জনালোঁ। সদৌ শেষত ভুলত্ৰুটিৰ বাবে সদৌটিৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

''আকাশ''ৰ তৰাৰ পোহৰত চৌদিশ উদ্ভাসিত হৈ উঠক। আহক আমি গৌৰৱময় শতবৰ্ষীয় অসম সাহিত্য সভাৰ পতাকাৰ তলত কল্যাণকামী মনোভাৱেৰে থিয় হৈ নতুন দিগন্তলৈ আগবাঢ়োঁ।

।। চিৰ চেনেহী মোৰ ভাষা জননী।।

(বিজয়া ডেকা)
২৩/৭/২০১৭ বকো